# NSD NEWS UNIT

ALL INDIA RADIO, GUWAHATI

0000000000

**Date :** 28-07-2025 **Time :** 1340 Hrs.

## *Assamese Midday Bulletin*

## *HEADLINES*

১। বিহাৰত ভোটাৰ তালিকাৰ বিশেষ সংশোধন উঠাই লোৱাৰ দাবীকে ধৰি অন্যান্য বিষয়ত আলোচনাৰ দাবীৰে বিৰোধী পক্ষৰ সদস্যসকলে সৃষ্টি কৰা হুলস্থূলীয়া পৰিস্থিতিৰ পৰিপ্ৰেক্ষিতত আজি সংসদৰ উভয় সদনৰ কামকাজ ব্যাহত হয়।

২। উত্তৰ প্ৰদেশৰ বাৰাবাংকিৰ ঔছনেশ্বৰ মহাদেৱ মন্দিৰত হোৱা ঠেলাহেচাত কমেও দুজন লোকৰ মৃত্যু হোৱাৰ লগতে ১৭ জন লোক আহত হয়।

৩। দেশৰ স্বাধীনতা আন্দোলনৰ এগৰাকী শক্তিশালী নেতা, অসাধাৰণ বাগ্মিতাৰ অধিকাৰী, লেখক, দেশভক্ত তৰুণৰাম ফুকনৰ পূণ্য তিথি উপলক্ষে আজি অসমৰ বিভিন্ন প্ৰান্তত শ্ৰদ্ধা নিবেদন কৰা হৈছে।

৪। পাঞ্জাবৰ লুধিয়ানা আৰু জলন্ধৰত দুটা পৃথক দুৰ্ঘটনাত ৯ জন লোকৰ মৃত্যু হয়। ***আৰু***

৫। ভাৰতৰ তেজস্বিন শংকৰে পোলেণ্ডত কালি অনুষ্ঠিত উইছল' চেপিয়েস্কি মেম'ৰিয়েল এথলেটিকছ্ মিটত দ্বিতীয়বাৰৰ বাবে নতুন ৰাষ্ট্ৰীয় ডেকাথলন অভিলেখ গঢ়িবলৈ সমৰ্থ হৈছে।

oooooooooo

বিহাৰত ভোটাৰ তালিকাৰ বিশেষ সংশোধন উঠাই লোৱাৰ দাবীকে ধৰি অন্যান্য বিষয়ত আলোচনাৰ দাবীৰে বিৰোধী পক্ষৰ সদস্যসকলে সৃষ্টি কৰা হুলস্থূলীয়া পৰিস্থিতিৰ পৰিপ্ৰেক্ষিতত আজি সংসদৰ উভয় সদনৰ কামকাজ ব্যাহত হয়। লোকসভাৰ কাৰ্যক্ৰমণিকা দিনৰ ১২ বজালৈ প্ৰথমবাৰৰ বাবে স্থগিত ৰখাৰ পাছত পুনৰ এক বজালৈ স্থগিত ৰখা হয়। ৰাজ্যসভাও প্ৰথমে দুপৰীয়া ১২ বজালৈ আৰু পাছত দিনৰ ২ বজালৈ স্থগিত ৰখা হয়।

কাৰ্যক্ৰমণিকা প্ৰথমবাৰ বাবে স্থগিত ৰখাৰ পাছত লোকসভা পুনৰ মিলিত হোৱাৰ সময়ত বিৰোধী পক্ষৰ সদস্যসকলে সদনৰ মজিয়ালৈ উঠি আহি ধ্বনি দিবলৈ আৰম্ভ কৰে। লোকসভাৰ অধ্যক্ষ ওম বিৰলাই প্ৰতিবাদৰত সদস্যসকলক নিজ নিজ আসন গ্ৰহণ কৰিবলৈ আৰু সদনৰ কামকাজ চলাই নিয়াৰ অনুমতি দিবলৈ আহ্বান জনায়। কিন্তু বিৰোধী সদস্যসকলে হুলস্থূলীয়া পৰিস্থিতি অব্যাহত ৰখাত সদনৰ কামকাজ পুনৰ দিনৰ এক বজালৈ স্থগিত ৰখা হয়। ইয়াৰ পূৰ্বে দিনৰ ১১ বজাত লোকসভা মিলিত হোৱাৰ সময়ত অধ্যক্ষ ওম বিৰলাই প্ৰশ্নকাল আৰম্ভ কৰাৰ লগে লগে বিৰোধী সাংসদসকলে বিহাৰত ভোটাৰ তালিকাৰ বিশেষ সংশোধন আৰু অন্যান্য বিষয় উঠাই লোৱাৰ দাবীৰে শ্লোগান দিবলৈ আৰম্ভ কৰে। শ্ৰী বিৰলাই প্ৰতিবাদৰত সদস্যসকলক প্ৰশ্নকাল চলাই নিয়াত সহযোগ কৰিবলৈ আৰু তেওঁলোকক প্ৰশ্নকালত অংশগ্ৰহণ কৰিবলৈ আহ্বান জনায়। হুলস্থূলীয়া পৰিৱেশৰ মাজতে কেন্দ্ৰীয় জলশক্তি মন্ত্ৰী গজেন্দ্ৰ সিং ছেখাৱতে স্বচ্ছতা গ্ৰীণ লিফ ৰেটিং পদক্ষেপ সন্দৰ্ভত প্ৰশ্নৰ উত্তৰ দিয়ে। বিৰোধী পক্ষৰ সদস্যসকলে প্ৰতিবাদ অব্যাহত ৰখাৰ বাবে অধ্যক্ষই দিনৰ ১২ বজালৈ সদন স্থগিত ঘোষণা কৰে।

ৰাজ্যসভাতো আজি অনুৰূপ পিস্থিতিৰ সৃষ্টি হয়। দিনৰ ১২ বজাত সদন পুনৰ মিলিত হোৱাৰ সময়ত সভাপতিৰ দায়িত্বত থকা ঘনশ্যাম তিৱাৰীয়ে প্ৰশ্নকাল চলাই নিবলৈ চেষ্টা কৰে যদিও বিৰোধীপক্ষৰ সদস্য সকলে হুলস্থূলীয়া পৰিৱেশৰ সৃষ্টি কৰে। এনে পৰিস্থিতি বাহাল থকাত উচ্চ সদনৰ কামকাজ পুনৰ দিনৰ দুই বজালৈ স্থগিত ৰখা হয়। ইয়াৰ পূৰ্বে দিনৰ ১১ বজাত সদন মিলিত হোৱাৰ সময়ত এ আই এ ডি এম কেৰ দুগৰাকী সাংসদ এম ধানাপাল আৰু আই এছ্ ইনবাডুৰাই শপতগ্ৰহণ কৰে। ৰাজ্যসভাৰ উপ-সভাপতি হৰিবংশে কয়, যে বিভিন্ন ৰাজনৈতিক দলৰ পৰা ভিন ভিন বিষয় সন্দৰ্ভত লাভ কৰা ২৬ খন স্থগিতকৰণৰ জাননী তেওঁ খাৰিজ কৰে।

০০০০০০০০০

সৰ্বভাৰতীয় ইমাম সংস্থাৰ সভাপতি মৌলানা ছাজিদ ৰাছিদিয়ে সমাজবাদী পাৰ্টীৰ সাংসদ ডিম্পল যাদৱৰ বিৰুদ্ধে আপত্তিজনক মন্তব্য কৰাক লৈ এন ডি এৰ সাংসদসকলে আজি সংসদ ভৱন চৌহদত প্ৰতিবাদী কাৰ্যসূচী ৰূপায়ণ কৰে। এন ডি এৰ সাংসদসকলে হাতে হাতে প্লাকাৰ্ড লৈ কয়, যে সভাপতিগৰাকীৰ মন্তব্যই সকলো মহিলাকে অপমানিত কৰিছে আৰু এনে অপমান দেশে কেতিয়াও সহ্য নকৰে। লোক জনশক্তি পাৰ্টীৰ সাংসদ সম্ভাৱি চৌধৰীয়ে সাংবাদিকৰ আগত কয়, যে এন ডি এ চৰকাৰে মহিলাৰ সন্মান আৰু মৰ্যাদাক সৰ্বাধিক অগ্ৰাধিকাৰ দিয়ে।

০০০০০০০০০

উত্তৰ প্ৰদেশৰ বাৰাবাংকিৰ ঔছনেশ্বৰ মহাদেৱ মন্দিৰৰ এখন টিঙৰ চালিত বৈদ্যুতিক তাঁৰ পৰি যোৱাৰ ফলত সৃষ্টি হোৱা ঠেলাহেচাত কমেও দুজন লোকৰ মৃত্যু হোৱাৰ লগতে ১৭ জন লোক আহত হয়। পবিত্ৰ শাওণ মাহৰ আজি তৃতীয়টো সোমবাৰৰ দিনা ভক্তসকলে মন্দিৰত দৰ্শনৰ বাবে শাৰী পাতি থকাৰ সময়তে এই দুৰ্ঘটনা সংঘটিত হয়। উত্তৰ প্ৰদেশৰ মুখ্যমন্ত্ৰী যোগী আদিত্যনাথে এই ঘটনাত শোক প্ৰকাশ কৰিছে। তেওঁ আহতসকলৰ প্ৰয়োজনীয় চিকিৎসা নিশ্চিত কৰিবলৈ বিষয়াসকলক নিৰ্দেশ দিয়ে। মুখ্যমন্ত্ৰীগৰাকীয়ে লগতে নিহতকেইজনৰ নিকতাত্মীয়লৈ পাঁচ লাখ টকাৰ এককালীন সাহায্য প্ৰদান কৰে। বাৰাবাংকীৰ জিলা দণ্ডাধীশ শশাংক ত্ৰিপাঠীয়ে জনোৱা মতে মন্দিৰৰ কাষত বান্দৰে জপিয়াই থকাৰ ফলতে এডাল বৈদ্যুতিক তাঁৰ টিনৰ চালিৰ ওপৰত পৰি যায়। ইয়াৰ ফলত প্ৰায় ১৯ জন লোকৰ দেহত বিদ্যুৎ সৰবৰাহ হয়। আহতসকলক ত্ৰিবেদীগঞ্জ সামূহিক স্বাস্থ্যকেন্দ্ৰত ভৰ্তি কৰোৱাৰ লগতে গুৰুতৰভাৱে আহত কেইবাজনো লোকক উন্নত চিকিৎসাৰ বাবে প্ৰেৰণ কৰা হয়।

০০০০০০০০০

দেশৰ স্বাধীনতা আন্দোলনৰ এগৰাকী শক্তিশালী নেতা, অসাধাৰণ বাগ্মিতাৰ অধিকাৰী, লেখক, দেশভক্ত তৰুণৰাম ফুকনৰ পূণ্য তিথি উপলক্ষে আজি অসমৰ বিভিন্ন প্ৰান্তত শ্ৰদ্ধা নিবেদন কৰা হৈছে। স্বাধীনতা আন্দোলনলৈ আগবঢ়োৱা সেৱাৰ বাবে দেশভক্ত উপাধিৰে বিভূষিত ফুকনে মহাত্মা গান্ধীৰ নেতৃত্বত অসহযোগ আন্দোলনত ওতপ্ৰোতভাৱে জড়িত আছিল। অসম চৰকাৰৰ উদ্যোগত আজি এই মহান নেতা গৰাকীৰ পূণ্য তিথি **দেশভক্তি দিৱস** হিচাপে পালন কৰা হৈছে। অসম চৰকাৰৰ তথ্য আৰু জনসংযোগ সঞ্চালকালয়ৰ উদ্যোগত গুৱাহাটীৰ ভৰলুমুখৰ তৰুণৰাম ফুকন উদ্যানত শ্ৰদ্ধাঞ্জলি অনুষ্ঠানৰ আয়োজন কৰা হয়। মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই আজি দেশভক্তি দিৱস উপলক্ষে অসমৰ জাতীয় জীৱনলৈ অসামান্য অৱদান আগবঢ়োৱা মহান মনীষীলৈ শ্ৰদ্ধা জ্ঞাপন কৰিছে। এই উপলক্ষে দিয়া এটা বাৰ্তাত মুখ্যমন্ত্ৰীয়ে কয়, যে জাতিটোৰ প্ৰতি থকা মৰম আৰু দায়িত্ববোধ কৰ্মৰ মাজেৰে প্ৰতিফলিত হোৱা নেতাগৰাকীৰ আদৰ্শ আৰু কৰ্মৰাজী প্ৰতিটো প্ৰজন্মৰ মাজত চৰ্চা হোৱা উচিত।

কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালে দেশৰ স্বাধীনতা সংগ্ৰামৰ অগ্ৰণী নেতা, সুদক্ষ বক্তা আৰু সু-লেখক তৰুণৰাম ফুকনৰ নিভাজ দেশপ্ৰেম, কৰ্মচেতনা আৰু জনহিতকৰ কামে অসমীয়া জাতিক সদায় অনুপ্ৰাণিত কৰি থাকিব বুলি মত প্ৰকাশ কৰে।

দেশভক্ত তৰুণৰাম ফুকনৰ সোঁৰৰণত কালি অনুষ্ঠিত দেশভক্তি কুইজ প্ৰতিযোগিতাত ৰাজ্যৰ লগতে কেৰালা, দিল্লী আদিকে ধৰি দেশৰ বিভিন্ন প্ৰান্তৰ প্ৰায় এহেজাৰ ২০০ গৰাকী প্ৰতিযোগীৰে গঠিত মুঠ ৩৪৮ টা দলে অংশগ্ৰহণ কৰে। প্ৰাথমিক পৰ্যায়ত অনুষ্ঠিত লিখিত পৰীক্ষাৰ পৰা ছটা দলক চূড়ান্ত পৰ্যায়লৈ বাচনি কৰা হয়। আজি হ'বলগীয়া দেশভক্তি দিৱসৰ মূল সভাত বিজয়ীসকলক নগদ ধন আৰু প্ৰমাণ পত্ৰৰে পুৰস্কৃত কৰা হ'ব।

ooooooooo

পঞ্জাৱৰ লুধিয়ানা আৰু জলন্ধৰ জিলাত যোৱা নিশা সংঘটিত দুটা পৃথক দুৰ্ঘটনাত ৯ জন লোকৰ মৃত্যু হয়। অৱশ্যে ১৯ জন লোকক নিৰাপদে উদ্ধাৰ কৰা হয়।

প্ৰথমটো ঘটনাত মনকোৱাল গাঁৱৰ পৰা ২৯ জন তীৰ্থযাত্ৰী কঢ়িয়াই অনা এখন বাহন লুধিয়ানাৰ ছিৰহিন্দ খালত বাগৰি পৰাৰ ফলত দুটি শিশু আৰু তিনিগৰাকী মহিলাসহ ৬ জন লোকৰ মৃত্যু হয়.বাহনখনত থকা ১৯জনক উদ্ধাৰ কৰা হৈছে যদিও চাৰিজন লোকৰ সন্ধান পোৱা হোৱা নাই। লুধিয়ানাৰ উপ আয়ুক্ত হিমাংশু জৈনে এই কথা প্ৰকাশ কৰি সন্ধানহীন সকলৰ উদ্ধাৰৰ বাবে অভিযান চলি আছে বুলি উল্লেখ কৰে। আন এটা ঘটনাত জলন্ধৰৰ স্থানীয় অসামৰিক চিকিৎসালয়ত অক্সিজেন প্লাণ্টৰ কাৰিকৰী বিজুতিৰ ফলত তাত থকা ৫ জন ৰোগীৰ ভিতৰত তিনিজনৰ মৃত্যু হয় আৰু এজনৰ অৱস্থা গুৰুতৰ বুলি জানিব পৰা গৈছে। ৰাজ্যখনৰ স্বাস্থ্য মন্ত্ৰী বলবীৰ সিঙে ঘটনাৰ তদন্তৰ নিৰ্দেশ দিয়াৰ লগতে তেওঁ চিকিৎসালয়খন ভ্ৰমণ কৰাৰ ২৪ ঘণ্টাৰ ভিতৰত প্ৰতিবেদন বিচাৰিছে।

ooooooooo

জম্মু-কাশ্মীৰত যোৱা ৩ জুলাইত অমৰনাথ যাত্ৰা আৰম্ভ হোৱাৰ পৰা ৩ লাখ ৭৭ হাজাৰৰো অধিক তীৰ্থযাত্ৰীয়ে যাত্ৰা সম্পন্ন কৰিছে। শ্ৰীনগৰৰ দশনামী আখাৰাৰ শ্ৰী অমৰেশ্বৰ মন্দিৰত কালি 'ছাৰি স্থাপন' অনুষ্ঠান অনুষ্ঠিত হয়। কাইলৈ, একেটা মন্দিৰতে 'নাগ পঞ্চমী' উপলক্ষে 'ছাৰী পূজন' কৰা হব। ৪ আগষ্টৰ পৰা পবিত্ৰ গুহা মন্দিৰ অভিমুখে ছাৰী মুবাৰকৰ অন্তিম যাত্ৰা আৰম্ভ হ'ব।

ooooooooo

আমেৰিকা যুক্তৰাষ্ট্ৰ আৰু চীনে আজি ছুইডেনৰ ষ্টকহ'মত নতুন লানি বাণিজ্যিক আলোচনা আৰম্ভ কৰিব। বিশ্বৰ বৃহত্তম অৰ্থনীতিৰ ৰাষ্ট্ৰ দুখনে বাণিজ্যিক চুক্তিৰ ম্যাদ

আৰু ৯০ দিন বৃদ্ধি কৰিবলৈ সন্মত হোৱাৰ সম্ভাৱনা আছে। আমেৰিকাৰ কোষাগাৰ সচিব স্কট বেচেণ্ট আৰু চীনৰ উপ-প্ৰধানমন্ত্ৰী হে লিফেঙে আলোচনাৰ নেতৃত্ব দিব । বৰ্তমানৰ ৯০ দিনীয়া বাণিজ্যিক চুক্তিৰ অধীনত দুয়োখন দেশে সাময়িকভাৱে পাৰস্পৰিক শুল্ক হ্ৰাস কৰিবলৈ সন্মত হৈছিল আৰু ইয়াৰ ম্যাদ অহা ১২ আগষ্টত উকলি যাব।

০০০০০০০০০

ভাৰতৰ তেজস্বিন শংকৰে পোলেণ্ডত কালি অনুষ্ঠিত উইছল' চেপিয়েস্কি মেম'ৰিয়েল ২০২৫ এথলেটিকছ মিটত ৭,৮২৬ পইণ্ট সংগ্ৰহ কৰি দ্বিতীয়বাৰৰ বাবে নতুন ৰাষ্ট্ৰীয় ডেকাথলন অভিলেখ গঢ়িবলৈ সমৰ্থ হৈছে। ২৬ বছৰীয়া এথলীট গৰাকীয়ে ২০২২ চনত হাংঝুত অনুষ্ঠিত এছিয়ান গেমছত ৰূপৰ পদকেৰে অৰ্জন কৰা নিজৰেই পূৰ্বৰ শ্ৰেষ্ঠ ৭৬৬৬ পইণ্ট অতিক্ৰম কৰে। সৰ্বকালৰ অভিলেখ গঢ়ি চেচিয়াৰ অণ্ড্ৰেজ কোপেকিয়ে ৮২৫৪ পইণ্টেৰে খিতাপ দখল কৰে। একেখন দেশৰ ভিলেম ষ্ট্ৰাস্কি আৰু ইষ্ট'নিয়াৰ ৰিষ্টো লিলেমেটছে তেওঁৰ পৰৱৰ্তী স্থান দখল কৰে।

০০০০০০০০০

*সমাপ্ত*